# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি **সংবিধান হত্যা** দিৱস হিচাপে পালন।

২। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী সেঁতুৰ কাম ডিচেম্বৰ-জানুৱাৰীত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা।

৩। ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাসহ চাৰিগৰাকী মহাকাশচাৰীক লৈ মহাকাশলৈ AXIOM-4 অভিযান।

৪। শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ কাইলৈ পুৱা সামৰণি। ***আৰু***

৫। হাৰিয়ানাত অনুষ্ঠিত ১৭ বছৰ অনূৰ্ধ ষষ্ঠ ৰাষ্ট্ৰীয় জুনিয়ৰ বক্সিং প্ৰতিযোগিতাত অসমৰ চাৰিটা ব্ৰঞ্জৰ পদক অৰ্জন।

০০০০০

১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে। সেই সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰি সমগ্ৰ দেশতে ৰাজনৈতিক দলৰ নেতা-কৰ্মী, সাংবাদিক, শ্ৰমিক-সংগঠনৰ নেতাকে ধৰি প্ৰায় ডেৰ লাখ লোকক কাৰাৰুদ্ধ আৰু সংবাদ মাধ্যমৰ স্বাধীনতা বিলুপ্ত কৰিছিল। ভাৰতীয় জনতা পাৰ্টী আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘকে ধৰি ভালেমান সংগঠনে আজি অসমতো সংবিধান হত্যা দিৱসৰ আয়োজন কৰিছে। এই দিৱসত দেশৰ সাংবিধানিক পৰম্পৰা আৰু বাক স্বাধীনতা যাতে কোনোপধ্যেই খৰ্ব নহয়, সেইক্ষেত্ৰত কাম কৰি যাবলৈ সকলো সংকল্পবদ্ধ হয়।

দেশৰ আন অংশৰ লগতে অসমতো আজি সংবিধান হত্যা দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত এই দিৱসত অংশ লৈ জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ পাছতো কংগ্ৰেছৰ এই ধৰণৰ মানসিকতাৰ পৰিৱৰ্তন হোৱা নাই আৰু সময়ে সময়ে এই মানসিকতা পৰিলক্ষিত হৈ আহিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে জৰুৰীকালীন অৱস্থাৰ ক'লা অধ্যায় জনসাধাৰণে পাহৰা উচিত নহয় আৰু ভৱিষ্যতে যাতে ইয়াৰ পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে সচেতন হোৱা উচিত। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এসময়ত সংবিধান হত্যা কৰা পৰিয়ালে পৰিয়ালে আজি সংবিধান ৰক্ষাৰ কথা ক'বলৈ লৈছে। কংগ্ৰেছে এতিয়ালৈকে জৰুৰীকালীন অৱস্থাৰ বাবে ক্ষমা খোজা নাই বুলি তেওঁ উল্লেখ কৰে। পদ্মশ্ৰী সন্মানেৰে বিভূষিত তথা প্ৰাক্তন বিধায়ক অজয় কুমাৰ দত্তই জৰুৰীকালীন অৱস্থাৰ অভিজ্ঞতাৰ বিষয়ে সুঁৱৰি এইদৰে কয় - **-বাইট-**

০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুৰ কাম ডিচেম্বৰ-জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। গৌৰীপুৰত ৰাষ্ট্ৰীয় ঘাইপথত নিৰ্মাণ কাৰ্য চলাই থকা ট্ৰাম্পেটৰ কামৰ অগ্ৰগতিৰ বুজ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰে। পৰিদৰ্শনকালত ড০ শৰ্মাই নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত প্ৰতিষ্ঠানৰ প্ৰতিনিধি, লোক নিৰ্মাণ বিভাগৰ বিষয়াৰ উপস্থিতিত ট্ৰাম্পেটৰ নিৰ্মাণ কাৰ্যৰ বিভিন্ন কাৰিকৰী দিশৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা আৰু যাৱতীয় নিৰ্দেশ দিয়ে।

০০০০০

ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাক মহাকাশলৈ লৈ যোৱা AXIOM-4 অভিযান আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্লৰিডাৰ  কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা প্ৰেৰণ কৰা হয়। অভিযানত অন্তৰ্ভুক্ত চাৰিগৰাকী মহাকাশচাৰী ফেলকন নাইন ৰকেটৰ সহায়ত স্পেচ এক্স ড্ৰেগন মহাকাশ যানেৰে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ বুলি ৰাওনা হয়। আমেৰিকাৰ কামাণ্ডাৰ পেইগি হুইটছনে এই অভিযানত নেতৃত্ব বহন কৰিছে। ভাৰতীয় বায়ুসেনা বাহিনীৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাক এই অভিযানৰ মিছন পাইলট আৰু হাংগেৰীৰ তিব'ৰ কাপু আৰু প'লেণ্ডৰ স্লাৱেজ উজনানস্কি ৱিচনিউস্কিক   বিশেষজ্ঞ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

কেপ্টেইন শুক্লা, ১৯৮৪ চনত ছোভিয়েট অভিযানৰ অংশ হিচাপে ভাৰতীয় মহাকাশচাৰী ৰাকেশ শৰ্মাৰ পাছত মহাকাশলৈ যোৱা দ্বিতীয়গৰাকী ভাৰতীয়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ইছৰ'ৱে প্ৰকাশ কৰিছে যে ভাৰতীয় সময় অনুসৰি কাইলৈ বিয়লি চাৰে চাৰি বজাত AXIOM-4 আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। তাৰপাছত মহাকাশচাৰীসকলে মহাকাশ কেন্দ্ৰত দুসপ্তাহ কটোৱাৰ লগতে বিভিন্ন পৰীক্ষা সম্পন্ন কৰিব। মহাকাশচাৰীসকলে ইছৰ'ৰ কেইবাটাও গৱেষণা প্ৰকল্পৰ লগতে ৩১ খন দেশৰ প্ৰায় ৬০ টা বৈজ্ঞানিক অধ্যয়ন সম্পন্ন কৰিব।

গ্ৰুপ কেপ্টেইন শুক্লাই এই যাত্ৰাক অভিনৱ বুলি উল্লেখ কৰি মহাকাশৰ পৰা এটা বাৰ্তা প্ৰেৰণ কৰিছে। ভাৰতীয় মহাকাশচাৰী গৰাকীয়ে ৪১ বছৰ পাছত তেওঁলোক পুনৰ মহাকাশলৈ যোৱা বুলি আৰু প্ৰতি ছেকেণ্ডত ৭ দশমিক ৫ কিলোমিটাৰ বেগেৰে পৃথিৱীৰ চাৰিওফালে প্ৰদক্ষিণ কৰি থকা বুলি প্ৰকাশ কৰিছে। এই যাত্ৰা আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ বাবেই  নহয়, বৰং ভাৰতৰ মানৱ মহাকাশ কাৰ্যসূচীৰ বাবেও আৰম্ভণি বুলি শ্ৰীশুক্লাই মন্তব্য কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে এই অভিযানৰ বাবে শুভাংশু শুক্লাক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে গুৱাহাটী মহানগৰৰ সাতগাঁও হাইস্কুলত আজি অত্যাধুনিক ছাত্ৰী প্ৰসাধন আৰু অনাময় গৃহ মুকলি কৰে। এই হাইস্কুলৰ পৰাই শিক্ষামন্ত্ৰী ডাঃ পেগুৱে অনলাইনৰ জৰিয়তে ১৮ খন শিক্ষানুষ্ঠানত নিৰ্মাণ কৰা অত্যাধুনিক প্ৰসাধন আৰু অনাময় গৃহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানত ভাষণ দি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়, যে মোবাইল টাৱাৰ সংযোগ কৰা এটা প্ৰতিষ্ঠানৰ সামাজিক দায়বদ্ধতা আঁচনিৰ ধনেৰে এই গৃহ নিৰ্মাণ কৰা হৈছে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে এইদৰে কয়—

**বাইট (ডাঃ ৰণোজ পেগু)**

০০০০০

শিৱসাগৰৰ ভটিয়াপাৰত থকা ১৪৭ নম্বৰ তৈলখাদত অ'এনজিচিৰ গেছ নিৰ্গমনৰ ঘটনাৰ ১৪ দিনৰ পাছতো অঞ্চলটোৰ ৭৫০ গৰাকী ব্যক্তি এতিয়াও আশ্ৰয় শিবিৰৰ খাদ্যৰ ওপৰত নিৰ্ভৰশীল হৈ আছে। অধিকাংশ পৰিয়ালেই নিজৰ ঘৰলৈ ঘূৰি গৈছে যদিও অঞ্চলটোত জুই জ্বলোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা থকাৰ কাৰণে প্ৰশাসনে তেওঁলোকৰ খাদ্যৰ ব্যৱস্থা কৰিছে। অৱশ্যে ঘটনাস্থলীৰ নিচেই সমীপৰ ৮টা পৰিয়াল এতিয়াও আশ্ৰয় শিবিৰতে আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অ'এনজিচিয়ে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত কুপ নিয়ন্ত্ৰণ অভিযানত কৌশলগত অগ্ৰগতি লাভ কৰিছে। বিশেষজ্ঞসকলে ৮০ মিটাৰ দৈৰ্ঘ্যৰ বুম সম্পন্ন দুশ টনৰ ক্ৰেন এখন স্থাপন কৰিবলৈ সমৰ্থ হৈছে। কুপ কেপিং অৰ্থাৎ তৈলখাদটো স্থায়ীভাৱে বন্ধ কৰাৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ অগ্ৰগতি হিচাপে বিবেচিত হৈছে। তৈলখাদটোত হোৱা গেছ নিৰ্গমন অহা দুই-এদিনৰ ভিতৰতে সম্পূৰ্ণকৈ নিয়ন্ত্ৰিত হোৱাৰ আশা কৰা গৈছে।

ooooo

ধেমাজি জিলাৰ আৰক্ষী বিভাগৰ সৌজন্যত আজি জিলাখনত **সমাজত বাল্য বিবাহৰ প্ৰভাৱ আৰু প্ৰতিকাৰ** শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত এই সভাত সামাজিক ব্যাধিস্বৰূপ বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিত গুৰুত্ব আৰোপ কৰা হয়। ধেমাজি জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, চক্ৰ বিষয়া, শিশু সুৰক্ষা বিষয়া প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থকা এই সভাত স্থানীয় দল-সংগঠনৰ কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়।

ooooo

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ কাইলৈ পুৱা সামৰণি পৰিব। পুৱা ৩ বাজি ২৭ মিনিটত অম্বুবাচীৰ নিবৃত্তিৰ পাছত দেৱীস্নান তথা নিত্য পূজাৰ অন্তত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব। মা কামাখ্যাৰ দৰ্শৰ বাবে দেশী-বিদেশী ভক্তই অপেক্ষা কৰি আছে। কামাখ্যা ধামত আজি চতুৰ্থ দিনাও ভক্তৰ উখল-মাখল পৰিৱেশ অব্যাহত আছে। নীলাচলৰ বুকুলৈ ভক্ত দৰ্শনাৰ্থীৰ সোঁত অব্যাহত আছে। উৎকট গৰমকো নেওচি ভক্তাই পুৱা ৫ বজাৰ পৰাই কামাখ্যা ধামলৈ বুলি ঢাপলি মেলিছে। সাধু-সন্যাসী আৰু দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীত আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

ৰাজ্যৰ বিভিন্ন অংশত আজি ৰামধেনু যুগৰ মননশীল গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী পালন কৰা হৈছে। এহাত দবা, গোলাম, অশান্ত ইলেকট্ৰন আদি গল্পৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যোৱা সৌৰভ কুমাৰ চলিহাৰ ২০১১ চনৰ আজিৰ দিনটোত দেহাৱসান ঘটিছিল। শিক্ষামন্ত্ৰী ডাঃ

ৰণোজ পেগু, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে স্মৃতি দিৱস উপলক্ষে সাহিত্যিকগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ডঃ পেগুৱে সামাজিক মাধ্যমযোগে আধুনিকতাবাদী লেখক চলিহাৰ অৱদান সমাজ জীৱনত সদায় স্মৰণীয় হৈ ৰ'ব বুলি প্ৰকাশ কৰিছে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে প্ৰয়াত চলিহাই পাঠকৰ ৰুচি অনুযায়ী বিষয়বস্তু নিৰ্বাচন কৰি মননশীল প্ৰকাশভংগীৰে পাঠকক সন্মোহিত কৰিবলৈ সমৰ্থ হৈছে। প্ৰচাৰ বিমুখ মহীৰূহগৰাকীৰ কালজয়ী সৃষ্টিসমূহে ভাষা-সাহিত্যৰ পথাৰখনক সদায় সাৰুৱা কৰি ৰাখিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তিনিচুকীয়া সংমণ্ডলৰ অধীনস্থ দুলীয়াজান-ডিব্ৰুগড় খণ্ডৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেই কেইখনো দূৰণিবতীয়া ৰে'লগাড়ী সম্পূৰ্ণকৈ বৈদ্যুতিক ইঞ্জিনেৰে চলোৱাৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি ডিব্ৰুগড় আৰু নতুন দিল্লীৰ মাজত চলাচল কৰা ১২৪২৪ আৰু ১২৪২৩ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ, গুৱাহাটী আৰু হাওৰাৰ মাজত মাজত চলাচল কৰা শৰাইঘাট এক্সপ্ৰেছ, ৰাজেন্দ্ৰ নগৰ আৰু কামাখ্যাৰ মাজত চলাচল কৰা কেপিটেল এক্সপ্ৰেছ, শিলঘাট আৰু কলকাতাৰ মাজত চলাচল কৰা সাপ্তাহিক কাজিৰঙা এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ সম্পূৰ্ণ যাত্ৰা পথত বৈদ্যুতিক ইঞ্জিন ব্যৱহাৰ কৰা হ'ব। পৰ্যায়ক্ৰমে আন কেইবাখনো ৰে'লগাড়ীও সম্পূৰ্ণৰূপে বৈদ্যুতিক ইঞ্জিনেৰে চলোৱা হ'ব বুলি ৰে'ল বিভাগৰ সূত্ৰই জনাইছে। ইয়াৰ ফলত ডিজেলৰ বাবদ ব্যয় হোৱা বৃহৎ পৰিমাণৰ ধন ৰাহি হোৱাৰ লগতে বায়ু প্ৰদূষণো বহুখিনি নিয়ন্ত্ৰিত হ'ব বুলি আশা কৰা হৈছে।

আনহাতে, ৰে'ল বিভাগে অহা ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো শ্ৰেণীৰ যাত্ৰীৰ ভাৰা সামান্য বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। ক'ভিড মহামাৰীৰ পাছত ভাৰতীয় ৰে'লে এয়ে প্ৰথমবাৰৰ বাবে যাত্ৰী ভাৰা বৃদ্ধিৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি এক্সপ্ৰেছ আৰু মেইল গাড়ীৰ ক্ষেত্ৰত শ্লিপাৰ শ্ৰেণীৰ ভাৰা প্ৰতি কিলোমিটাৰত ১ পইচাকৈ আৰু শীতোতাপ নিয়ন্ত্ৰিত শ্ৰেণীৰ ক্ষেত্ৰত প্ৰতি কিলোমিটাৰত ২ পইচাকৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে ৫০০ কিলোমিটাৰ তলৰ দূৰত্বৰ সাধাৰণ শ্ৰেণীৰ আৰু উপ-মহানগৰীয় ৰে'ল ভাৰাৰ ক্ষেত্ৰত এই বৃদ্ধি প্ৰযোজ্য নহ'ব।

০০০০০

অসমে হাৰিয়ানাৰ ৰ'হটকত অনুষ্ঠিত ১৭ বছৰ অনূৰ্দ্ধ ষষ্ঠ ৰাষ্ট্ৰীয় জুনিয়ৰ বক্সিং প্ৰতিযোগিতাত চাৰিটা ব্ৰঞ্জৰ পদকেৰে অভিযান সামৰিছে। আজি সামৰণি পৰা প্ৰতিযোগিতাখনত অসমৰ হৈ মনিকা দলে ৪৪ৰ পৰা ৪৬, নমিতা সিঙে ৫২ৰ পৰা ৫৬, ধান্তি শইকীয়াই ৬০ৰ পৰা ৬৩ আৰু জয়শ্ৰী ডেকাই ৭৫ৰ পৰা ৯০ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছে। অসম বক্সিং সন্থাৰ সাধাৰণ সম্পাদক হেমন্ত কুমাৰ কলিতাই এই কথা প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত